**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
-----------------------------

১। অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজি চতুৰ্থ দিনা ৬ খন সংশোধনী বিধেয়ক গৃহীত হয়।

২। কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগন দুদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে।

৩। চৰকাৰে কেন্দ্ৰীয় লোকসেৱা আয়োগক স্বেচ্ছামূলকভাৱে প্ৰাৰ্থীসকলৰ পৰিচয়ৰ পৰীক্ষাৰ বাবে আধাৰ-ভিত্তিক সত্যাসত্য নিৰূপণৰ অনুমতি প্ৰদান কৰিছে।

৪। জম্মু কাশ্মীৰ বিধানসভা নিৰ্বাচন দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে অধিসূচনা জাৰি কৰা হৈছে।

**আৰু**

৫। আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। মহান হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়।

০০০০০০০

অসম বিধানসভাৰ শৰৎকালীন অধিৱেশনৰ আজি চতুৰ্থ দিনটোত ৬ খন সংশোধনী বিধেয়ক গৃহীত হয়। ইয়াৰ ভিতৰত দি আছাম টেনেন্সি এমেণ্ডমেণ্ট বিল ২০২৪, দি আছাম ৰিপিলিং বিল ২০২৪, দি আছাম ভেটেৰীনেৰী এণ্ড ফিছাৰী ইউনিভাৰ্চিটী বিল ২০২৪, দি আছাম স্কিলছ ইউনিভাৰ্চিটী এমেণ্ডমেণ্ট বিল ২০২৪ আৰু দা মৰাণ অটোনমাছ কাউন্সিল এমেণ্ডমেণ্ট বিল ২০২৪ আছে। ইয়াৰ লগতে দি আছাম আৰ্বান ৱাটাৰ ব'ডিজ (প্ৰিজাৰভেচন এণ্ড কনজাৰভেচন বিল ২০২৪) শীৰ্ষক বিধেয়কখনো বিবেচনাৰ বাবে আজি বিধানসভাত উত্থাপন কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগন দুদিনীয়া ভ্ৰমণসূচীৰে ইতিমধ্যে গুৱাহাটীত উপস্থিত হৈছে। মন্ত্ৰীগৰাকীয়ে গুৱাহাটীৰ পৰা চিৰাঙলৈ যাব। তাত তেওঁ কাজলগাঁওস্থিত জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰে এখন সভাত মিলিত হ'ব। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংসদ আৰু বিধায়কসকলৰ সৈতে আন এখন বৈঠকত মিলিত হ'ব। ড০ মুৰুগনে কাইলৈ চিৰাং জিলাৰ অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে হিন্দুস্তান পেট্ৰ'লিয়াম ক'ৰ্পৰেচন লিমিটেডৰ তৈল ভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰি বিয়লি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ গেলেফুলৈ ৰাওনা হ'ব।

০০০০০০০

চৰকাৰে কেন্দ্ৰীয় লোকসেৱা আয়োগক স্বেচ্ছামূলকভাৱে প্ৰাৰ্থীসকলৰ পৰিচয়ৰ পৰীক্ষাৰ বাবে আধাৰ-ভিত্তিক সত্যাসত্য নিৰূপণৰ অনুমতি প্ৰদান কৰিছে। নাম পঞ্জীয়নৰ সময়ত আৰু পৰীক্ষা তথা নিয়োগৰ বিভিন্ন পৰ্যায়ত সত্যাসত্য নিৰূপণৰ এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব পৰা যাব। ভুৱা প্ৰমাণ-পত্ৰ দেখুৱাই অসামৰিক সেৱাৰ পৰীক্ষাত নিৰ্ধাৰিত সংখ্যাতকৈ অধিক বাৰ অৱতীৰ্ণ হোৱাৰ প্ৰয়াসৰ বাবে পূজা খেড়কৰৰ অস্থায়ী প্ৰাৰ্থিত্ব বাতিল কৰাৰ লগতে তেওঁক ভৱিষ্যতৰ সকলো পৰীক্ষাৰ বাবে বাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা ২৭৯গৰাকী প্ৰাৰ্থীৰ ভিতৰত ২৪৪গৰাকীৰ মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। ৩৫গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল হৈছে। প্ৰথম পৰ্যায়ত জম্মু-কাশ্মীৰৰ ২৪টা বিধানসভা সমষ্টিত ১৮ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগৰ অধিসূচনা অনুসৰি ইচ্ছুক প্ৰাৰ্থীসকলে কাইলৈ বিয়লি ৩ বজাৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে জম্মু কাশ্মীৰত দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। ইয়াৰ লগে লগে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা ৫ ছেপ্তেম্বৰত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আৰু অহা ৬ ছেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থীসকলে অহা ৯ ছেপ্তেম্বৰলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। অহা ২৫ ছেপ্তেম্বৰত এই পৰ্যায়ত জম্মু কাশ্মীৰৰ ৬ খন জিলাৰ ২৬টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন অনুষ্ঠিত হ'বলগা জিলাকেইখন হ'ল- গণ্ডাৰবল, ৰাজৌৰী, শ্ৰীনগৰ, বুদগাম, পুঞ্চ আৰু ৰিয়াছী। উল্লেখযোগ্য যে সকলো পৰ্যায়ৰ নিৰ্বাচনৰ ফলাফল অহা ৪ অক্টোবৰত ঘোষণা কৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় তদন্ত সংস্থা- এন আই এয়ে কালি পাকিস্তানৰ ষড়যন্ত্ৰত হোৱা বিশাখাপট্টনম চোৰাংচোৱাগিৰি ঘটনা সন্দৰ্ভত দেশৰ ভালেমান ঠাইত তালাচী চলায়। ৰাষ্ট্ৰীয় তদন্ত সংস্থাৰ তথ্য অনুসৰি গুজৰাট, কৰ্ণাটক, কেৰালা, তেলেংগানা, উত্তৰ প্ৰদেশ, বিহাৰ আৰু হাৰিয়ানাৰ ১৬টা স্থানত ব্যাপক তালাচী চলোৱা হয়। তদন্তকাৰী সংস্থাটোৱে তালাচী চলোৱা স্থানসমূহ ভাৰতত চোৰাংচোৱাগিৰি কৰিবলৈ পাকিস্তানৰ পৰা ধন লাভ কৰা সন্দেহযুক্ত লোকৰ সৈতে জড়িত আছে। সংস্থাটোৱে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, তালাচীৰ সময়ত মুঠ ২২টা মোবাইল ফোন আৰু বহুতো স্পৰ্শকাতৰ নথি পত্ৰ জব্দ কৰা হয়।

উল্লেখযোগে যে ৰাষ্ট্ৰীয় তদন্ত সংস্থাই যোৱা বছৰ দুজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল, য'ত এজন পাকিস্তানী নাগৰিক মীৰ বালাজ খানো জড়িত আছিল। তদন্তত প্ৰকাশ পাইছে যে মীৰ বালাজ খান আৰু এজন অভিযুক্ত আকাশ সোলাংকীৰ সৈতে চোৰাংচোৱা গোচৰত জড়িত আছিল। যোৱা বছৰৰ নৱেম্বৰত সংস্থাই আন দুজন অভিযুক্ত মনমোহন সুৰেন্দ্ৰ পাণ্ডা আৰু এলবেনৰ বিৰুদ্ধে পৰিপূৰক অভিযোগানামা

দাখিল কৰিছিল। পাণ্ডাক গ্ৰেপ্তাৰ কৰা বিপৰীতে পাকিস্তানী চোৰাংচোৰাৰ বাবে কাম কৰা এলবেন এতিয়াও পলাতক হৈ আছে।

০০০০০০০

আজি ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস। মহান হকী খেলুৱৈ মেজৰ ধ্যানচন্দৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি এই দিৱস পালন কৰা হয়। ভাৰতীয় হকীৰ ইতিহাসত মেজৰ ধ্যানচন্দৰ ঐতিহ্যৰ প্ৰতি সন্মান আৰু শাৰিৰীক গতিবিধি তথা খেল-ধেমালিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰতি বছৰে ২৯ আগষ্টত ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস পালন কৰা হয়। এই উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে চৰকাৰ ক্ৰীড়াৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আৰু যুৱক-যুৱতীসকলক খেল আৰু প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ প্ৰদান কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰি শ্ৰীমোদীয়ে কয় যে আজিৰ দিনটোত সমগ্ৰ দেশে হকীৰ যাদুকৰ ৰূপে পৰিচিত মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। আজিৰ দিনটোত সকলো ক্ৰীড়াপ্ৰেমী আৰু দেশৰ হকে খেলা প্ৰতিগৰাকী খেলুৱৈৰ শলাগ লোৱাৰ দিন।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মান্দাভিয়াই ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে আজি পুৱা নতুন দিল্লীৰ মেজৰ ধ্যানচন্দ ষ্টেডিয়ামত হকীৰ যাদুকৰগৰাকীলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড০ মান্দাভিয়াই কয় যে দেশৰ প্ৰতিগৰাকী নাগৰিক সুস্থ আৰু সবল হৈ থকা উচিত। তেওঁ কয় যে সুস্থ নাগৰিকেহে এখন সুস্থ সমাজ গঢ়ে আৰু এখন সুস্থ সমাজেহে সুস্থ দেশ গঢ়াত সহায় কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰতিগৰাকী নাগৰিকে তেওঁলোকৰ ব্যস্ত জীৱনৰ পৰা কমেও এঘণ্টা খেল-ধেমালিৰ নামত উচৰ্গা কৰিবলৈ আহ্বান জনায়।  ভাৰতবৰ্ষক এখন সুস্থ, সবল ৰাষ্ট্ৰৰূপে গঢ়ি তোলাটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোন বুলি উল্লেখ কৰি ড০ মান্দাভিয়াই নাগৰিকসকলক আজি ৰাষ্ট্ৰজোৰা উদযাপনত অংশ ল'বলৈ আহ্বান জনায়। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়েও আজি জন্ম বাৰ্ষিকী উপলক্ষে মেজৰ ধ্যানচন্দলৈ শ্ৰদ্ধা নিবেদন কৰে। তেওঁ লগতে দেশবাসীক ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰে।

০০০০০০০

ভাৰতে শ্ৰীলংকাৰ উত্তৰ অংশত নিৰ্মাণ কৰিবলগীয়া হাইব্ৰীড বিদ্যুৎ প্ৰকল্পৰ বাবে প্ৰথম ধনৰাশি আদায় দিছে। শ্ৰীলংকাত ভাৰতৰ উচ্চায়ুক্ত সন্তোষ ঝাই শ্ৰীলংকাৰ শক্তি মন্ত্ৰী ড০ সুলক্ষনা জয়বৰ্ধনা আৰু দেশখনৰ বহনক্ষম শক্তি প্ৰাধিকৰণৰ অধ্যক্ষ ৰঞ্জিত ছেপালাক এই ধনৰাশি প্ৰদান কৰিছে। ভাৰত আৰু শ্ৰীলংকাৰ মাজত ২০২২ চনৰ মাৰ্চৰ চুক্তিৰ অধীনত এটা ভাৰতীয় প্ৰতিষ্ঠানে ডেফ্‌ট নেনাটিবু আৰু অন্‌লাটিবু দ্বীপপুঞ্জত এই হাইব্ৰীড প্ৰকল্পসমূহ ৰূপায়ণ কৰি আছে। সৌৰ আৰু বায়ুশক্তিৰ সংমিশ্ৰণেৰে এই দ্বীপসমূহৰ শক্তি আৱশ্যকতা পূৰণৰ উদ্দেশ্যে ভাৰতৰ ১ কোটি ১০ লাখ আমেৰিকান ডলাৰৰ সাহায্যৰে এই প্ৰকল্পসমূহ আৰম্ভ কৰা হৈছিল। এই প্ৰকল্পসমূহ অহা বছৰ মাৰ্চলৈকে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

জৱাহৰ নবোদয় বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীত নামভৰ্তিৰ বাছনি পৰীক্ষাৰ বাবে পঞ্জীয়নৰ দিন ঘোষণা কৰা হৈছে। সেই অনুসৰি ইচ্ছুক প্ৰাৰ্থীসকলে www.navodaya.gov.in ৱেবছাইটৰ জৰিয়তে নাম পঞ্জীয়ন কৰিব পাৰিব। ১৬ ছেপ্তেম্বৰ নাম পঞ্জীয়নৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

oooooooo

দিল্লী আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত আজি পুৱা ৰিখটাৰ স্কেলত ৫ দশমিক ৭ প্ৰাৱল্যৰ এটা ভূমিকম্পৰ জোকাৰণি অনুভূত হয়। ৰাষ্ট্ৰীয় ভূকম্পন বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি আফগানিস্তানত এই ভূমিকম্পৰ অভিকেন্দ্ৰ আছিল। এতিয়ালৈকে এই ভূমিকম্পৰ ফলত ধন-জন হানি হোৱাৰ কোনো বাতৰি পোৱা নাই।

oooooooo

সমাপ্ত